# বিজ্ঞান বাৰ্তা

2024

## BIGYAN BARTA

ASSAM SCIENCE SOCIETY

Vol-1 | Issue-5 | Sep – Oct | a Bimonthly newsletter

কেন্দ্ৰীয় সমিতিৰ আৰু শাখাৰ বা-বাতৰি



Phone :+9160013-99315 e-mail: gsass2014@gmail.com

BIGYAN BARTA

# TABLE OF CONTENTS


## EDITORIAL BOARD

**Advisors :**
Kshiradhar Baruah
Basanta Deka
Dr. Abani Kumar Bhagabati
Dr. Jaideep Baruah
Abhijit Sarma Borua

**Chief Editor :**
Nirud Kumar Borah

**Editor :**
Pankaj Kumar Boruah

**Members:**
Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Hiranya Kr. Nath
Pradip Mahanta

**Graphics and design:**
Nirud Kumar Borah



**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022



Editorial .....................................................................01
Dr.J.N.Borua memorial lecture.. ..........................02
Greetings to our specially honored members...04
Awareness Campaign against superstitions......06
Free eye camp...............................................07
International Vulture awareness day...............09
State Executive committee meeting...............10
Space on wheels................................................12
Seminar on Health and Hygiene...................13
News ...........................................................15
Workshop on vermicomposting......................16
Meeting on climate change
and global warming.......................................18
Calibration of A.P.J.Abdul Kalams` birthday....20
Meeting on Data technology and web portal
Awareness/plantation.....................................21
program(Parthenium)/student
membership drive.........................................22
Visit by President and Secretary.....................24
Popular Talk on climate change-An
aviation Perspective.....................................25
About "Jatiya Bigyan Punji" ..........................29

BIGYAN BARTA

২০২৪ চনৰপৰা প্ৰকাশিত

EDITORIAL বিজ্ঞান বাৰ্তা

VOL-1-,-ISSUE 5::, SEPTEMBER-OCTOBER , A BIMONTHLY NEWS LETTER

বৰ্ষ ১ ঃ ৫ম সংখ্যা ঃ চেপ্তেম্বৰ অক্তোবৰ ২০২৪

# সম্পাদকীয়

অসম বিজ্ঞান সমিতিৰ দুমহীয়া ই আলোচনী ই-বাৰ্তাৰ ৫ম সংখ্যালৈ সকলোকে স্বাগতম জনাইছো। বিজ্ঞানৰ অবিৰত যাত্ৰাত আমিও সমানে খোজ মিলাই আগ বাঢ়িব লাগিব। বিজ্ঞান বুলিলে সমাজৰ বহুতেই পৰীক্ষাগাৰৰ বিজ্ঞানকে বুজে। আমি পৰীক্ষাগাৰৰ বিজ্ঞান যে জনহিতৰ বাবেই অৰ্পিত এই কথা সমাজক বুজাই কোৱাৰ প্ৰয়োজন আছে। কিন্তু এই কথা বুজোৱাৰ দায়িত্ব ল'ব কোনে ? অসমৰ নিচিনা ৰাজ্য এখন য'ত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ অতি চালুকীয়া অৱস্থাত আছে , তাত মুষ্টিমেয় কেইজন মানুহে সমাজক বিজ্ঞান শিক্ষাৰে আগুৱাই লৈ যোৱা অতি দুৰূহ কাম। তথাপি অসম বিজ্ঞান সমিতিৰ সভ্য সকলে নিজৰ সুখ দুখৰ কথা নাভাবি , সমাজ খন আগুৱাই লৈ যোৱাৰ স্বাৰ্থতে কাম কৰি আছে। ইয়াৰ প্ৰমাণ ই - বাৰ্তাৰ প্ৰতিটো পৃষ্ঠাতে উপলব্ধ হৈ আছে। বিজ্ঞান প্ৰসাৰৰ এই কামত নিয়োজিত সকলো বিজ্ঞান কৰ্মীলৈ এই আপাহতে সম্পাদনা কক্ষৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। সুখৰ কথা যে বৰ্তমান বিভিন্ন শাখাত আজীৱন সদস্যৰ সংখ্যা বৃদ্ধি পাইছে ।

অসম বিজ্ঞান সমিতিৰ প্ৰতি অসমৰ মানুহৰ আস্থা বৃদ্ধি পাইছে। অসম বিজ্ঞান সমিতিৰ কাম কাজে সমাজৰ প্ৰতিটো স্তৰেৰেই উন্নতি সাধন কৰক এই আশাৰে , এই সংখ্যাটি আপোনালোকলৈ আগবঢ়ালো। ধন্যবাদেৰে

নিৰোদ কুমাৰ বৰা
পঙ্কজ কুমাৰ বৰুৱা







Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam

# বোকাখাতত ড° জেএন বৰুৱা স্মাৰক বক্তৃতা




বোকাখাতত ড° জেএন বৰুৱা স্মাৰক বক্তৃতা আমাৰ অসম'ৰ বোকাখাতৰ প্ৰতিবেদক, ২ ছেপ্টেম্বৰঃ ব্ৰহ্মাপুত্ৰ পৃথিৱীৰ চতুৰ্থ বৃহৎ জল বিসৰ্জনকাৰী নদী। চীনে বান্ধ দিলেও ব্ৰহ্মাপুত্ৰ জীয়াই থাকিব। কিয়নো চীনদেশৰ চাংপোবে মাত্ৰ দহ শতাংশ পানীহে মহাবাহুক প্ৰদান কৰে। নদীয়ে ভাঙে আৰু পাতে। নতুন অঞ্চলো আমি ঘূৰাই পাওঁ। আনকি খহনীয়াৰ পূৰ্বানুমান কৰাটোও সম্ভব।' আজি বোকাখাত চন্দ্ৰনাথ বেজবৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত ৩০ সংখ্যক ডা জেএন বৰুৱা স্মাৰক বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰি এইদৰে কয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূতত্ত্ব বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড যোগেন্দ্ৰনাথ শৰ্মাই। বিভিন্ন বৈজ্ঞানিক গৱেষণ্যসমূহক চৰকাৰে সময় সাপেক্ষে গুৰুত্ব নিদিয়াৰ বাবেই ডিব্ৰুগড়ৰ মাটমৰা আদি অঞ্চলব খহনীয়া বোধ এতিয়াও কৰিব পৰা হোৱা নাই বুলি তেওঁ উল্লেখ কৰে। তেওঁৰ মতে গবেষকসকল ইক'পলিটিকছ ছিষ্টেমৰ বলি হৈ আহিছোঁ। যাৰ বাবে এই বানপানী, খহনীয়া ইত্যাদি ৰোধ সম্ভৱ হৈ উঠা নাই। বাংলাদেশ ভাৰতবৰ্ষতকৈ অনুন্নত যদিও জনসাধাৰণৰ সজাগতা ভাৰতবৰ্ষতকৈ বহুত বেছি।

নৈৰ সু-স্বাস্থ্যৰ বাবে জনগণৰ সজাগতা অতি গুৰুত্বপূৰ্ণ। আন এক প্ৰসংগত কেতবোৰ চৰকাৰী নীতিৰ সন্দৰ্ভত তেওঁ কয় যে, মুক্তদ্বাৰ পদ্ধতি অবলম্বন কৰিলেহে বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগ প্ৰতিহত কৰা সম্ভৱ। তাৰ বিপৰীতে আমাৰ ৰাজ্যই ৰুদ্ধদ্বাৰ পদ্ধতি অৱলম্বন কৰি বানপানীৰ সৈতে যুঁজিবলৈ চেষ্টা চেষ্টা কৰি আহিছোঁ। যাৰ ফলত বানপানী, খহনীয়া আদিৰ তথ্যসমূহ বিভাগীয় উৎসৰ পৰা গৱেষক সকলে প্ৰয়োজনীয় প্ৰয়োজনীয় সময়ত লাভ কৰিবলৈ সক্ষম নহয়। আনকি চৰকাৰে কোৱা নদীসংযোগ ব্যৱস্থাৰে পানীৰ সমস্যা পুত্ৰ সমাধান অসম্ভৱ আৰু অবাস্তৱ। এইবোৰ মাত্ৰ মানুহক আভুৱা-ভাৰা কথাহে বুলিও তেওঁ মন্তব্য কৰে। আনকি পুখুৰী খান্দি অসমৰ বান সমস্যা সমাধান কৰাও অবান্তৰ কথা। কিয়নো বৰষুণ হ'লেই প্ৰথমেই পুখুৰীসমূহ পানীৰে উপচি পৰিব। পুখুৰীৰ পানী শোষণ কৰিব পৰা ক্ষমতা নাই। তেওঁৰ মতে মথাউৰিবোৰ হ'ল শক্তিশালী এন্টিটবায়টিকৰ দৰে। দুই-এবছৰলৈ বানপানী ৰোধ হ'ব যদিও নদীখন ওখ হৈ যোৱাৰ বাবে পাছৰ সময়বোৰত বানপানীৰ প্ৰকোপ বাঢ়িব। আমাৰ ধাৰণা মতে, মথাউৰিসমূহ সুদৃঢ় কিন্তু চাপৰ হোৱা উচিত। লগতে বানপানীৰ লগতে বানপানীৰ জৰুৰীকালীন সংকেত ব্যবস্থাও

# বোকাখাতত ড° জেএন বৰুৱা স্মাৰক বক্তৃতা








শক্তিশালী কৰা দৰকাৰ।

আজি বোকাখাতৰ চন্দ্ৰনাথ বেজবৰুৱা মহাবিদ্যালয়ত ড° জেএন বৰুৱা স্মাৰক বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন হয়।ড° জে এন বৰুৱা স্মাবক ন্যাসৰ সম্পাদক ড° এইচ কে বৰাই আঁত ধৰা অনুষ্ঠানত, অসম বিজ্ঞান সমিতিৰ যোৰাহাট শাখা, উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান তথা চন্দ্ৰনাথ বেজবৰুৱা মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।যোৰহাটস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান আৰু অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ উদ্যোগত আৰু বোকাখাতৰ চন্দ্ৰ নাথ চন্দ্ৰ নাথ বেজবৰুৱা মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত ৩০' সংখ্যক বক্তৃতা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে চন্দ্ৰ নাথ বেজবৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ দত্ত, উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ....বিজ্ঞানী...ড°পিনাকী সেনগুপ্ত, প্ৰয়াত ড° জেএন পুত্ৰ চিকিৎসক ডাঃ মানস প্ৰতীম বৰুৱা, অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ সভাপতি, ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰ, উপ-সভাপতি ড° অদিতি বেজবৰুৱা, সম্পাদক ৰমেন গগৈ, কোষাধ্যক্ষ ড' আৰ এল গোস্বামী আদি উপস্থিত থাকে। আনহাতে, যোৰহাটস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ পৰা সঞ্চালকৰ হৈ উপস্থিত থাকে বিজ্ঞানী ড° জে জে বৰা আৰু বিজ্ঞানী ড° লক্ষী শইকীয়া। বক্তৃতাৰ অন্তত তেজপুৰ বিশ্ববিদ্যালয়ৰ অণুজীৱ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড' পংকজ বৰাক চলিত বৰ্ষৰ সন্মানীয় ডা জেএন বৰুৱা মেমৰিয়েল যুব বিজ্ঞানী বঁটা প্ৰদান কৰা হয়। ড' বৰাই বঁটা গ্ৰহণ কৰি তেওঁ অনুজীব বিজ্ঞানৰ ক্ষেত্ৰখনত তেওঁ কৰি অহা গৱেষণাৰ বিষদ বিৰৰণ আগবঢ়ায়। ইফালে প্ৰতিবছৰে একোজন মেধাবী ছাত্ৰ-ছাত্ৰীলৈ আগবঢ়োৱা ড' জেএন বৰবা মেম ৰিয়েল জলপানী প্ৰদান কৰা হয়.চন্দ্ৰনাথ বেজবৰুৱা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ একাদশ শ্ৰেণীৰ ছাত্ৰ হৰ্ষৰাজ বৰাক। এই অনুষ্ঠানতে যোৱাটো বৰ্ষত ড° জেএন বঝঝবা মেম'ৰিয়েল জলপানী লাভ কৰা ছাত্ৰ বিশাল দত্তক দ্বিতীয় বৰ্ষৰ বাবেও জলপানি আগবঢ়োৱা হয়। শেষত অসম বিজ্ঞান সমিতিৰ যোৰহাত শাখাৰ সভাপতি তথা আজিৰ অনুষ্ঠানৰ সঞ্চালক ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰ, উপ-সভাপতি ড° অদিতি বেজবৰুৱা, সম্পাদক

ৰমেন গগৈ, কোষাধ্যক্ষ ড' আৰ এল গোস্বামী আদি উপস্থিত থাকে। আনহাতে, যোৰহাটস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ পৰা

# বোকাখাতত ড° জেএন বৰুৱা স্মাৰক বক্তৃতা







সঞ্চালকৰ হৈ উপস্থিত থাকে বিজ্ঞানী ড° জে জে বৰা আৰু বিজ্ঞানী ড° লক্ষী শইকীয়া। বক্তৃতাৰ অন্তত তেজপুৰ বিশ্ববিদ্যালয়ৰ অণুজীৱ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড' পংকজ বৰাক চলিত বৰ্ষৰ সন্মানীয় ডা জেএন বৰুৱা মেম ৰিয়েল যুব বিজ্ঞানী বঁটা প্ৰদান কৰা হয়। ড' বৰাই বঁটা গ্ৰহণ কৰি তেওঁ অনুজীব বিজ্ঞানৰ ক্ষেত্ৰখনত তেওঁ কৰি অহা গৱেষণাৰ বিষদ বিৱৰণ আগবঢ়ায়। ইফালে প্ৰতিবছৰে একোজন মেধাবী ছাত্ৰ-ছাত্ৰীলৈ আগবঢ়োৱা ড' জেএন বৰবা মেম ৰিয়েল জলপানী প্ৰদান কৰা হয়

চন্দ্ৰনাথ বেজবৰুৱা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ একাদশ শ্ৰেণীৰ ছাত্ৰ হৰ্ষৰাজ বৰাক।

এই অনুষ্ঠানতে যোৱাটো বৰ্ষত ড° জেএন বঝঝবা মেম'ৰিয়েল জলপানী লাভ কৰা ছাত্ৰ বিশাল দত্তক দ্বিতীয় বৰ্ষৰ বাবেও জলপানি আগবঢ়োরা হয়। শেষত অসম বিজ্ঞান সমিতিৰ যোৰহাত শাখাৰ সভাপতি তথা আজিৰ অনুষ্ঠানৰ সঞ্চালক ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰে মন্তব্য আগবঢ়াই চন্দ্ৰনাথ বেজবৰুৱা মহাবিদ্যালয়ৰ আতিথ্য আৰু অনুষ্ঠান পৰিচালনাৰ দক্ষতাক শলাগ লয়। অনুষ্ঠানত চন্দ্ৰ নাথ বেজবৰুৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি শৰৎ চন্দ্ৰ দত্ত, বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি ড° বাবুলাল মোৰ জেএন আদি বিশিষ্ট ব্যক্তি সকলো উপস্থিত থাকে।



# Congratulation

## শিক্ষক দিৱস উপলক্ষে বিশেষ ভাবে সন্মানিত অসম বিজ্ঞান সমিতিৰ মাননীয় সভ্য সকললৈ অভিনন্দন জ্ঞাপন কৰিছোঁ !



জিলা শ্ৰীযুত মৃনাল কুমাৰ হাজৰীকা, সচিব প্ৰধান জিলা পৰ্য্যায়ৰ কৃতী শিক্ষক ।




শ্ৰীযুত ৰিপুঞ্জয় বৰদলৈ, আজীৱন সদস্য বিশ্বনাথ শাখা, ৰাজ্যিক কৃতী শিক্ষক ।



গৌৰীসাগৰ-দিখৌমুখ শাখাৰ কাৰ্যকৰী সভাপতি শ্ৰীযুত হীৰেন কুমাৰ নেওগ ৰাজ্যিক কৃতী শিক্ষক ।



শ্ৰীযুত বিমান দাস , জিলা পৰ্য্যায়ৰ কৃতি শিক্ষক, আজীৱন সদস্য মৰিগাঁও শাখা



শ্ৰীযুত জ্ঞানমোহন ডেকা, জিলা পৰ্য্যায়ৰ কৃতি শিক্ষক আজীৱন সদস্য মৰিগাঁও শাখা




পুৰণিগুদাম বাপুজীভৱন আৰু পুথিভঁৰালৰ দ্বাৰা আয়োজিত শিক্ষক দিৱসত অসম বিজ্ঞান সমিতি পুৰণিগুদাম শাখাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা তিনিগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক, নিৰ্দিষ্ট বক্তা আৰু পুৰণিগুদাম পৰীক্ষা কেন্দ্ৰৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা সম্বৰ্দ্ধনা জনোৱা ছাত্ৰ -ছাত্ৰী প্ৰতিগৰাকীৰ লগতে বিশিষ্ট ব্যক্তি সকলক একোটিকৈ গছপুলি প্ৰদান কৰা হয়

# 'অন্ধবিশ্বাস আৰু কু-সংস্কাৰ'ৰ বিৰুদ্ধে সজাগতা সভা

**6-9-2024**

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সহযোগত মৰিগাঁও জিলাৰ দহটা স্থানত অন্ধবিশ্বাসৰ বিৰুদ্ধে সজাগতা সভা আয়োজন কৰা হৈছে। তাৰেই অংশ হিচাপে অহা 30-08-24 তাৰিখ শুক্ৰবাৰে জৰাবাৰীস্থিত শ্বহীদ হেমৰাম পাটৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পূৰা 10-30 বজাৰ পৰা প্ৰথমখন সজাগতা সভাৰ আয়োজন কৰা হৈছে। অসম বিজ্ঞান সমিতিৰ মৰিগাঁও শাখাৰ আজীৱন সদস্য সন্মানীয় দেৱজিৎ ডেকাদেৱ সমল ব্যক্তি হিচাপে উপস্থিত থাকে।
















# সজাগতা সভা, মৰিগাঁও শাখা।






# বৰপেটা শাখা

## অসম বিজ্ঞান সমিতি, বৰপেটা শাখা উদ্যোগত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ






অসম বিজ্ঞান সমিতি, বৰপেটা শাখা আৰু বৰপেটা নেত্ৰালয়ৰ যুটীয়া উদ্যোগত বৰপেটাৰ গান্ধীনগৰস্থ সমিতিৰ চৌহদত এটি বিনামূলীয়া চকু পৰীক্ষা শিবিৰ সফলতাৰে সম্পন্ন কৰা হয়। চকুৰ স্বাস্থ্য আৰু সজাগতা বৃদ্ধিৰ লক্ষ্যৰে আয়োজন কৰা এই শিবিৰত চকুৰোগ বিশেষজ্ঞ ডাঃ ধৃতি তালুকদাৰৰ নেতৃত্বত প্ৰায় ষাঠিজন ৰোগীয়ে বিনামূলীয়া পৰামৰ্শ লাভ কৰে। শিবিৰটো উদ্বোধন কৰে বৰপেটাৰ প্ৰাক্তন বিধায়ক গুনীন্দ্ৰ নাথ দাসে। দাসে নিজৰ ভাষণত নিয়মীয়াকৈ চকু পৰীক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ দুৰ্গম অঞ্চলত এনে স্বাস্থ্য শিবিৰৰ আয়োজন কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৰপেটা নেত্ৰালয়ৰ অধ্যক্ষ জেহেৰুল ইছলামে শিবিৰটো সফল কৰি তোলাত অসম বিজ্ঞান সমিতি, বৰপেটা শাখাৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। চিকিৎসা-পৰামৰ্শৰ উপৰিও এই শিবিৰৰ অংশ হিচাপে কিছুসংখ্যক ৰোগীক বিনামূলীয়া ঔষধ প্ৰদান




কৰা হয়। উদ্বোধনী লি ৰোপণ কৰা হয়। উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে অসম বিজ্ঞান সমিতিৰ চৌহদত কেবাটাও গছ পুলি ৰোপণ কৰা হয়। চিকিৎসা-পৰামৰ্শৰ উপৰিও এই শিবিৰৰ অংশ হিচাপে কিছুসংখ্যক ৰোগীক বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়। উদ্বোধনী লি ৰোপণ কৰা হয়। উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে অসম বিজ্ঞান সমিতিৰ চৌহদত কেবাটাও গছ পুলি ৰোপণ কৰা হয়।






## স্থানঃ ঢকুৱাখনা মহাবিদ্যালয় । সময়ঃ দিনৰ ১ বজাত ।

**“আন্তৰ্জাতিক শগুন সজাগতা দিৱস” ৰ** প্রতিবেদন: অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখা ,পো এন ফ' ৱাইল্ড, মেগামিক্স প্ৰকৃতি সংঘ আৰু ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ উদ্যোগত আৰু ঢকুৱাখনা মহাবিদ্যালয়ৰ ই'ক ক্লাৱৰ সহযোগত আজি ইংৰাজী ০৭/০৯/২০২৪ তাৰিখ শনিবাৰে ঢকুৱাখনা মহাবিদ্যালয়ৰ ডিজিটেল সভাগৃহত আন্তৰ্জাতিক শগুন সজাগতা দিৱস পালন কৰা হয়।১ বজাৰ পৰা অনুষ্ঠিত সভাখনত অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সম্পাদক শ্ৰী বিমান সন্দিকৈয়ে আঁতধৰা সভাখনৰ উদ্বোধনী অনুষ্ঠানত উদ্বোধক হিচাপে ভাষণ প্ৰদান কৰে ঢকুৱাখনা মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত চিত্ৰ কুমাৰ কোঁচদেৱে। সভাত উপস্থিত সমল ব্যক্তিসকলক ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ তৰফৰ পৰা একোটাকৈ গছৰ পুলিৰে অভিনন্দন জনোৱা হয় । উদ্বোধক শ্ৰীযুত চিত্ৰ কুমাৰ কোঁচদেৱে ভাষণ প্ৰসংগত তেখেতে লৰালিকালত জাক জাক শগুন দেখাৰ লগতে অসমীয়া ফকৰা যোজনাত শগুনৰ নিদৰ্শন কি সেইবিষয়ে বক্তৃতা প্ৰদান কৰে । আন্তৰ্জাতিক শগুন সজাগতা দিৱস ২০২৪ তাৎপৰ্য্য সম্পৰ্কে বক্তৃতা প্ৰদান কৰে অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ সম্পাদক শ্ৰী বিমান সন্দিকৈয়ে।





পৰিৱেশ আৰু প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাত শগুন বিষয়ক বক্তৃতা অনুষ্ঠানত সমল ব্যক্তি অসম চৰকাৰৰ পৰিৱেশ মিত্ৰ বঁটাপ্ৰাপক শ্ৰীযুত দেৱজিৎ ফুকনদেৱে । ঢকুৱাখনাৰ শগুন সংৰক্ষণ বিষয়ক বক্তৃতা প্ৰদান কৰে অসম বিজ্ঞান সমিতিৰ উপসভাপতি ড' অমল চন্দ্ৰ দত্তদেৱে । জনবিশ্বাস আৰু লোকসংস্কৃতিত শগুন বিষয়ক বক্তৃতা প্ৰদান কৰে পো এন ফ' ৱাইল্ড ৰ সহ:প্ৰতিস্থাপক শ্ৰী মানস প্ৰতিম দত্তই । ইয়াৰ পিছতেই পো এন ফ' ৱাইল্ড ৰ পৰিচালনাত শগুন বিষয়ক তথ্যচিত্ৰ প্ৰদৰ্শণ কৰা হয় । উক্ত অনুষ্ঠানটি আঁতধৰে পো এন ফ' ৱাইল্ডৰ সহ: প্ৰতিস্থাপক ধ্ৰুৱ জ্যোতি চেতিয়াই । শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক , ড' নৰেন্দ্ৰ নাথ দত্ত শলাগৰ শৰাই আগবঢ়াই । আজিৰ সভাত অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ উপসভাপতি শ্ৰীযুত পৰমানন্দ দত্ত , প্ৰাণীবিজ্ঞান বিভাগৰ শিক্ষাগুৰুসকল , বিভাগৰ ছাত্ৰ ছাত্ৰী সকল লগতে ঢকুৱাখনা মহাবিদ্যালয়ৰ দুইশতাধিক ছাত্ৰছাত্ৰী উপস্থিত থাকে ।






## Dibrugarh Branch

# Executive body meeting



Executive body meeting at the residence of Dr.Parama Mahanta

# Workshop





**Workshop on Health Awareness - Kokrajhar Branch**




**SPACE ON WHEELS**
**অন্তৰীক্ষ মহা-যাত্ৰা**

Sky is not the limit! SPACE ON WHEEL - An enriching initiative of ISRO- Vigyan Bharati, in collaboration with NECTAR, VIBHA, NESM, ASCPCR etc, at with

Morigaon, 12th SeptIn associationwith Assam ,Science, Society, Morigaon Branch









13th Sept

# Seminar on Health and Hygiene

A report of Seminar on Health and Hygiene, focus on Menstruation & Woman Health, Anemia , Snake bike and Superstition etc. organised by Assam Science Society, Simla Branch on 13th Sept., 2024 at MCB Koklabari SHC, Hazuwa-Simla, Dist.-Baksa. The Seminar is chaired by Harihar Das, President, Simla Branch ASS and inaugurated by Anil Kr. Thakuria, EC member, Assam Science Society. The resource persons and guests are introduced by Tarani Sen Machahary, Secy., Simla Branch ASS. All RPs and guests are fellicited with a Aronai Fali each. The following resource persons participated and delivered their valuable speech on the respective given topics. 1. Dr. Hriday Pathak, Health & Medical Officer, MCB Koklabari SHC, Hazuwa-Simla. 2. Dr. Bandana Devi, doctor, MCB Koklabari SHC, Hazuwa-Simla. 3. Dr. Ataur Rahman,BPO, Golagaon Block PHC, Golagaon, Baksa.




4. Dr. Manash Pratim Das, HMO, Betbari SHC.

The following guests attended the said seminar to grace the programme. 1. Gabinda Narzary, Fouder President and Life Member of Simla Branch ASS. 2. Matindra Daimari, Life Member of ASS and social worker and senior citizen. 3. Khargeswar Basumatary, Life Member of ASS and Science Teacher. 4. Bhaskarjyati Choudhury, Life Member of ASS and Co-ordinator, Aryabhatta Science Centre, Jalah Block. All total 120(one hundred twenty) women participants from SHG, VO under Indira Model CLF and ASHA workers , ASHA Suppervisors under Golagaon Block PHC participated the said seminar. By--Tarani Sen Machahary, Secretary, Simla Branch,ASS.






# বাকসাৰ হজুৱাত মহিলাৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ ওপৰত আলোচনাচক্ৰ সম্পন্ন




**অসম বাৰ্তা, জালাহ, ১৪ ছেপ্টেম্বৰঃ** অসম বিজ্ঞান সমিতিৰ পৃষ্ঠপোষকতাত, অসম বিজ্ঞান সমিতি, শিমলা শাখাৰ উদ্যোগত আৰু মলোচৰণ ব্ৰহ্ম ককলাবাৰী পৰিপূৰক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত আজি (১৩ ছেপ্টেম্বৰত) হজুৱাত থকা মলোচৰণ ব্ৰহ্ম পৰিপূৰক স্বাস্থ্য কেন্দ্ৰত মহিলাৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ ওপৰত এখন আলোচনা চক্ৰ অনুষ্ঠিত হৈ যায়। গোলাগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত আছা সুপাৰভাইজাৰ, আশাকৰ্মী, আত্মসহায়ক গোটৰ সদস্যা, ভি.অ'., ইন্দিৰা চি এল এফ আদিৰ প্ৰায় ডেৰ শতাধিক মহিলাই অংশ গ্ৰহণ কৰা আলোচনা চক্ৰত সভাপতিত্ব কৰে অসম বিজ্ঞান সমিতি, শিমলা শাখাৰ সভাপতি হৰিহৰ দাসে। সভাত অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক সদস্য অনিল কুমাৰ ঠাকুৰীয়াই আদৰণি ভাষণ আগবঢ়ায়। মলোচৰণ ব্ৰহ্ম ককলাবাৰী এছ এইচ চিৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ হৃদয় পাঠক, একেখন স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ বন্দনা দেৱী, বেতবাৰী এচ এইচ চিৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ মানস প্ৰতীম দাস আৰু গোলাগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বি পি এম ডাঃ আতাউৰ ৰহমানে সমল ব্যক্তি হিচাপে আলোচনাত অংশ গ্ৰহণ কৰে। ডাঃ বন্দনা দেৱীয়ে মহিলাৰ স্বাস্থ্য আৰু ঋতুস্ৰাৱ, গৰ্ভৱতী মাতৃৰ বিভিন্ন সমস্যা আৰু প্ৰতিকাৰৰ উপায়ৰ ওপৰত আলোচনা আগবঢ়ায়। ডাঃ মানস প্ৰতীম দাসে মহিলাৰ স্বাস্থ্যৰ বিভিন্ন সমস্যা আৰু সুষম খাদ্যৰ ব্যৱহাৰৰ ওপৰত আলোচনা কৰে। তেওঁ প্ৰয়োজনীয় পানী খোৱাৰ লগতে আইৰণযুক্ত ফলমূল, শাকপাচলি আৰু ভিটামিনযুক্ত খাদ্য গ্ৰহণৰ বাবে মহিলাসকলক আহ্বান জনায়। ডাঃ হৃদয় পাঠকে মহিলাৰ স্বাস্থ্য আৰু ৰক্তহীনতাৰ ওপৰত আলোচনা কৰি স্বাস্থ্য মানে শাৰীৰিক, মানসিক আৰু সামাজিক ভাৱে সুস্থ অৱস্থাকে বুজায় বুলি উল্লেখ কৰি মহিলাৰ ৰক্তহীনতা (Aneamia) কাৰণ আৰু প্ৰতিকাৰৰ ওপৰত আলোচনা কৰে। ডাঃ আটাউৰ ৰহমানে মহিলাৰ স্বাস্থ্য আৰু সমাজত প্ৰচলিত বিভিন্ন অন্ধবিশ্বাসৰ ওপৰত আলোচনা কৰে। তেওঁ বেমাৰ হ'লে প্ৰতিকাৰৰ বাবে বেজ-ওজাৰ ওচৰলৈ নগৈ চৰকাৰী চিকিৎসালয়ত গৈ চিকিৎসা গ্ৰহণৰ পৰামৰশ দিয়ে। অসম বিজ্ঞান সমিতিৰ শিমলা শাখাৰ প্ৰতিষ্ঠাপক সভাপতি গোবিন্দ নাৰ্জাৰী, বিজ্ঞান সমিতিৰ আজীৱন সদস্য মতিন্দ্ৰ দৈমাৰী, অসম বিজ্ঞান সমিতিৰ শিমলা শাখাৰ উপ সভাপতি খৰ্গেশ্বৰ বসুমতাৰী আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, জালাহৰ সমন্বয়ক ভাস্কৰজ্যোতি চৌধুৰী উপস্থিত থকা আলোচনা চক্ৰখনৰ আঁত ধৰে অসম বিজ্ঞান সমিতি, শিমলা শাখাৰ সম্পাদক তৰণী সেন মছাহাৰীয়ে।

# হজুৱাত মহিলাৰ স্বাস্থ্য আৰু পৰিপুষ্টি সম্পৰ্কে আলোচনাচক্ৰ

নিজা বাতৰি দিওঁতা

**জালাহ, ১৩ ছেপ্টেম্বৰ ঃ** অসম বিজ্ঞান সমিতিৰ পৃষ্ঠপোষকতাত বিজ্ঞান সমিতিৰ শিমলা শাখাৰ উদ্যোগত আৰু মলোচৰণ ব্ৰহ্ম ককলাবাৰী পৰিপূৰক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত আজি স্বাস্থ্য কেন্দ্ৰটোৰ মহিলাৰ স্বাস্থ্য আৰু পৰিপুষ্টি সম্পৰ্কত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। গোলাগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত আশা ছুপাৰভাইজৰ, আশাকৰ্মী, আত্মসহায়ক গোটৰ সদস্যা, ভি অ', ইন্দিৰা চি এল এফ আদিৰ ডেৰ শতাধিক মহিলাই অংশগ্ৰহণ কৰা আলোচনাচক্ৰত সভাপতিত্ব কৰে অসম বিজ্ঞান সমিতিৰ শিমলা শাখাৰ সভাপতি হৰিহৰ দাসে। সভাত অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক সদস্য অনিল কুমাৰ ঠাকুৰীয়াই আদৰণী ভাষণ দিয়ে। মলোচৰণ ব্ৰহ্ম ককলাবাৰী এছ এইচ চিৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ হৃদয় পাঠক, একেটা স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ বন্দনা দেৱী, বেতবাৰী এছ এইচ চিৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ মানস প্ৰতিম দাস আৰু গোলাগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বি পি এম ডাঃ আতাউৰ ৰহমানে সমল ব্যক্তি হিচাপে আলোচনাত অংশগ্ৰহণ কৰে। ডাঃ বন্দনা দেৱীয়ে মহিলাৰ স্বাস্থ্য আৰু ঋতুস্ৰাৱ, গৰ্ভৱতী মাতৃৰ বিভিন্ন সমস্যা আৰু প্ৰতিকাৰৰ উপায় সম্পৰ্কত আলোচনা আগবঢ়ায়। ডাঃ মানস প্ৰতিম দাসে মহিলাৰ স্বাস্থ্যৰ বিভিন্ন সমস্যা আৰু সুষম খাদ্য সম্পৰ্কে আলোচনা কৰে। ডাঃ হৃদয় পাঠকে মহিলাৰ স্বাস্থ্য আৰু ৰক্তহীনতাৰ বিষয়ে আলোচনা কৰে। ডাঃ আতাউৰ ৰহমানে মহিলাৰ স্বাস্থ্য আৰু সমাজত প্ৰচলিত বিভিন্ন অন্ধবিশ্বাসৰ বিষয়ে আলোচনা কৰে। তেওঁ বেমাৰ হ'লে প্ৰতিকাৰৰ বাবে বেজ-ওজাৰ ওচৰলৈ নগৈ চৰকাৰী চিকিৎসালয়লৈ গৈ চিকিৎসা গ্ৰহণৰ পৰামৰ্শ দিয়ে।






অসমীয়া প্ৰতিদিন

পিছলা শাখা বিজ্ঞান সমিতিৰ উদ্যোগ

## বিশ্ব বাঁহ দিৱস উদ্‌যাপন


প্ৰতিদিন সেৱা, নাৰায়ণপুৰ, ২১ ছেপ্টেম্বৰ ঃ পিছলা বিজ্ঞান সমিতিৰ উদ্যোগত আৰু নাৰায়ণপুৰৰ বুঢ়াবুঢ়ী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত ১৮ ছেপ্টেম্বৰত বিশ্ব বাঁহ দিৱস উদ্‌যাপন কৰা হয়। পুৱা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ আৰু পতাকা উত্তোলনৰ পিচতে দুপৰীয়া মূল সভা অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতিৰ আজীৱন সভ্য অতুল হাজৰিকাই আঁত ধৰা সভাত সভাপতিত্ব কৰে বুঢ়াবুঢ়ী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গোবিন দাসে। সভাৰ শুভাৰম্ভ কৰা হয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত বিদ্যালয়ৰ সমবেত সংগীতেৰে। সভাত উদ্ভিদ বিজ্ঞানী তথা পিছলা বিজ্ঞান সমিতিৰ সভাপতি ড° লক্ষীৰাম ভূঞাই বাঁহৰ বৈচিত্ৰ্যতা, পৰম্পৰাগত ব্যৱহাৰ, খাদ্য হিচাপে বাঁহৰ উপকাৰিতা, আধুনিক প্ৰযুক্তিৰ দ্বাৰা বাঁহৰ বিভিন্ন উদ্যোগিক সামগ্ৰী আৰু বাঁহৰ পৰা এগ্ৰ' গেছ আৰু ইথানল প্ৰস্তুতকৰণৰ বিষয়ে দৃশ্য-শ্ৰব্যৰ জৰিয়তে আলোকপাত কৰে। সভাত বিশিষ্ট অতিথি হিচাপে পিছলা শাখা বিজ্ঞান সমিতিৰ উপদেষ্টা যোগেশ্বৰ বৰাই ভাষণ দিয়ে। অনুষ্ঠানত বুঢ়াবুঢ়ী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু বৰ নাহৰণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক লক্ষেশ্বৰ বৰুৱাকে ধৰি কেইবাজনো ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## Eminent scientist passes away



DOOMDOOMA, Oct 24: Dr. Gaurangdhar Baruah (81), an internationally renowned optical scientist and former Professor of Physics, Dibrugarh University, passed away at his residence at Uchamati Bharat Bhumij Road of the town on Wednesday night.

His death cast a pall of gloom in Tinsukia and Dibrugarh districts and was widely mourned by individuals/organisa-tions like MLA Rupesh Gowala, DC, Tinsukia District Swapneel Paul, Doomdooma Co-District Commissioner Nuzhat Nasreen, Assam Science Society, Doomdooma Branch,



## পূব কামৰূপ মহাবিদ্যালয়ত সজাগতা সভা, বক্তৃতানুষ্ঠান

নিজা বাতৰি দিওঁতা

বাইহাটা চাৰিআলি, ১৬ ছেপ্টেম্বৰ ঃ বাইহাটা চাৰিআলিৰ পূব কামৰূপ মহাবিদ্যালয়ত আজি মহাবিদ্যালয়খনৰ ফাষ্ট এইড ষ্টেচন চেলৰ উদ্যোগত আৰু মহাবিদ্যালয়খনৰ এন এছ এছ গোটৰ লগতে অসম বিজ্ঞান সমিতিৰ পূব কামৰূপ শাখাৰ সহযোগত আত্মহত্যা প্ৰতিৰোধ সপ্তাহৰ লগত সংগতি ৰাখি এখনি সজাগতা সভা আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অৰ্দ্ধশতাধিক ছাত্ৰ-ছাত্ৰী, এন এছ এছৰ লগতে অসম বিজ্ঞান সমিতিৰ পূব কামৰূপ শাখাৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰা এই অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে বিশেষ বক্তৃতা প্ৰদান কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা চয়ানিকা দেৱীয়ে। অসম বিজ্ঞান সমিতিৰ পূব কামৰূপ শাখাৰ সম্পাদক আলটাফ হুছেইন খণ্ডকৰে উদ্বোধন কৰা এই বিশেষ অনুষ্ঠানটোৰ আঁত ধৰে পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা সৰোজমণি সোণোৱালে। অনুষ্ঠানত সমল ব্যক্তি অধ্যাপিকা চয়ানিকা দেৱীয়ে আত্মহত্যাৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰ সম্পৰ্কীয় দিশবোৰৰ আলোচনা আগবঢ়াই ছাত্ৰ-ছাত্ৰীসকলক ইতিবাচক আৰু জীৱনমুখী দৃষ্টিভংগীৰে সুখী আৰু আনন্দময় জীৱন-যাপন কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে মানুহে জীৱনৰ সকলো দিশ ইতিবাচক চিন্তাৰে আগবঢ়াই নিব লাগিব। নেতিবাচক চিন্তা মনলৈ আনিলে হতাশা বাঢ়ি আহে। তেতিয়া জীৱনটো অৰ্থহীন বুলি ভাবিবলৈ আৰম্ভ কৰে। সমল ব্যক্তি চয়ানিকা দেৱীয়ে কয় যে আত্মহত্যা কৰিবলৈ মানুহ হিচাপে আমি পৃথিৱীত জন্মগ্ৰহণ কৰা নাই। আমি সমাজ সংস্কাৰক আৰু আধুনিক চিন্তাধাৰাৰে পৃথিৱীখন আগুৱাই নিবলৈ দায়িত্ব পালন কৰিব লাগিব। আত্মহত্যাৰ দৰে ব্যাধি নিৰ্মূল কৰাৰ দায়িত্ব আমাৰ হাতত আহি পৰিছে। সভাত অসম বিজ্ঞান সমিতিৰ পূব কামৰূপ শাখাৰ সভাপতি অধ্যাপক আয়েজ আলীয়েও ভাষণ দিয়ে।

## টুকুৰা খবৰ







*কেঁচুসাৰ প্ৰস্তুত কৰ্মশালাৰ প্ৰতিবেদন* :বৰ্তমান সময়ত খাদ্য সামগ্ৰীৰ উচ্চ চাহিদাৰ জোৰা মাৰিবলৈ উন্নত কৃষি পদ্ধতিৰ বাদে অন্য কোনো বিকল্প নাই। ইয়াৰ পৰিণতিত আহি পৰা ৰাসায়নিক সাৰৰ অব্যাহত ব্যাপকতা বহু ক্ষেত্ৰত জনস্বাস্থ্যৰ বাবে ভয়াবহ বুলি প্ৰমাণিত হৈছে। ইয়াৰ বিকল্প আৰু নিৰ্দোষ পোষক দ্ৰব্য হিচাপে কৃষি বিজ্ঞানী সকলে উদ্ভাৱন কৰিছে জৈৱিক সাৰৰ প্ৰয়োগেৰে জৈৱিক কৃষি পদ্ধতি। এই ক্ষেত্ৰত কেঁচুসাৰ হৈছে এবিধ সৰ্বোত্তম জৈৱ সাৰ। কেঁচুৱে নিজৰ আহাৰ হিছাপে বিভিন্ন জৈৱিক আৱৰ্জনা, উপাদান আদি ভক্ষণৰ জৰিয়তে যি কেঁচুমতা সৃষ্টি কৰে, থোৰতে সেই খিনিয়েই কেঁচু সাৰ। সম্প্ৰতি বিশ্বৰ নিৰ্দোষ কৃষিজাত উৎপাদনৰ বাবে এই কেঁচুসাৰৰ চাহিদা সবাতোকৈ বেছি। আজিকালি নগৰ চহৰৰ ওপৰিও গাঁও অঞ্চলৰ লোকসকলেও বাৰী, বাগান, টাব আদিত ৰুৱা শাক-পাচলি আৰু বিভিন্ন কৃষি কাৰ্যৰ বাবে প্ৰধানকৈ কেঁচুসাৰ প্ৰয়োগ কৰে।এনেদৰে কেঁচুসাৰ প্ৰয়োগেৰে উৎপাদিত শাক-পাচলিৰ নিৰ্ভেজাল গুণমানৰ হেতুকে দ্ৰব্য বিলাকৰ আদৰ কি ঘৰত, কি বজাৰত, সকলোতে সৰ্বাধিক বেছি। সচৰাচৰ ভাৱে উৎপাদন কৰা শাক-পাচলিতকৈ কেঁচু সাৰত উৎপাদিত দ্ৰব্য ২-৩ গুণতকৈ অধিক দামত বিক্ৰি হয়। এক কথাত কেঁচুসাৰ প্ৰস্তুত কৰি আৰ্থিক ভাৱে যথেষ্ট লাভাৱান্বিত হোৱাৰ লগতে কেঁচু সাৰ প্ৰয়োগেৰে পৰিৱেশৰ ক্ষয়-ক্ষতি নোহোৱাকৈ, নিশ্চিত ভাৱে নিৰাপদ খাদ্য খিনি পাব পাৰি। এই কেঁচুসাৰৰ সহজ-সৰল প্ৰস্তুত প্ৰণালী, ইয়াৰ ব্যৱসায়িক আৰু পৰিৱেশগত লাভালাভ আদিৰ জ্ঞান প্ৰদান কৰাৰ উদ্দেশ্যেৰে অসম বিজ্ঞান সমিতিৰ পৃষ্ঠপোষকতাতঅসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাই এটা এদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰে। আজি ২০/০৯/২০২৪ তাৰিখত, ঘিলামৰা খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ সভাঘৰত ৰূপায়িত "আত্মনিৰ্ভৰশীলতাৰ বাবেকেঁচুসাৰ প্ৰস্তুত কৰ্মশালা " শীৰ্ষক কাৰ্যসূচীত ঘিলামৰা অঞ্চল সামৰি মনোনীত হৈ নিমন্ত্ৰিত হোৱা ৫০ জন পুৰুষ-মহিলাই কৰ্মশালাত অংশগ্ৰহণ কৰে । অংশগ্ৰহণকাৰীৰ মাজৰে তিনি গৰাকী স্থানীয় সংবাদ সেৱী আৰু পাঁচ গৰাকী আছিল কৃষি সখী । সমিতিৰ ঢকুৱাখনা শাখাৰ সভাপতি

দিগেন্দ্ৰ  নাথ হাজৰিকাই কাৰ্যসূচীৰ আঁত ধৰে আৰু এই ক্ষেত্ৰত সহায় কৰে শাখাৰ উপ-সভাপতি পৰমানন্দ দত্ত দেৱে।কৰ্মশালাখনল সমল ব্যক্তি আছিল অসম বিজ্ঞান সমিতিৰ উপ সভাপতি ড' অমল চন্দ্ৰ দত্ত আৰু পৰিৱেশমিমিত্ৰ বটাপ্ৰাপক দেৱজিৎ ফুকন । পোনতে হাজৰিকা দেৱে আৰম্ভ কৰা পৰিচয় পৰ্বৰ পিছতে পৰিৱেশ বিষয়ে কিছু আভাস প্ৰদান কৰে দেৱজিৎ ফুকনে। মূল সমল ব্যক্তিৰ আসনৰ পৰা ড' অমল চন্দ্ৰ দত্ত দত্তদেৱে Power Point Presentation ৰ সহায়ত অংশগ্ৰহণকাৰী সকলৰ মাজত কেঁচুসাৰৰ উদ্ভাৱন পৰ্ব, কেঁচুসাৰৰ উৎপাদনৰ সৰল পদ্ধতি, স্বনিয়োজনৰ বাবে কেঁচুসাৰ, কৃত্ৰিম সাৰৰ ভয়াবহতা , কেঁচুসাৰৰ জৰিয়তে অসমৰ বিভিন্ন অঞ্চলৰ পুৰুষ মহিলাৰ আত্মনিয়োজনৰ তথ্য আদি সহকাৰে মনোগ্ৰাহীকৈ কৰ্মশালা উপস্থাপন কৰে। মধ্যাহ্ন বিৰতিত প্ৰতিজন অংশগ্ৰহণকাৰীকে চাহ আৰু লঘূ আহাৰ  প্ৰদান কৰা হয় ।



অংশগ্ৰহণকাৰীৰ বাবে ৰখা শিতানত  প্ৰশিক্ষাৰ্থী সকলে উপকৃত হোৱাৰ কথা ব্যক্ত কৰাৰ লগতে সমল ব্যক্তিৰে সৈতে আলোচনা মূলক ভাবে ভাগ লয়  । কৰ্মশালাৰ শেষ পৰ্যায়ত ঘিলামৰাৰ বিডিঅ জিম্পী শইকীয়াই প্ৰশিক্ষণৰ গুৰুত্ব আৰু বৰ্তমান সময়ৰ অত্যন্ত উপযোগিতাৰ কথাৰে বক্তব্য আগবঢ়ায়। তেখেতৰ হাতেৰে   প্ৰমাণ পত্ৰ প্ৰদান পৰ্ব আৰম্ভ কৰি  প্ৰতিজন অংশগ্ৰহনকাৰীকে প্ৰমান পত্ৰ প্ৰদান কৰা হয়। শেষত  শাখাৰ উপ-সভাপতি পৰমানন্দ দত্ত দেৱে উপস্থাপন কৰা বক্তব্যেৰে প্ৰশিক্ষণৰ সামৰণি পৰে ।





# জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা

## বৃদ্ধিজনিত পৰিৱেশৰ সমস্যা সম্পৰ্কত সভা
## (ভাৰ্চুৱেল মাধ্যম)

২৬ ছেপ্টেম্বৰ, ২০২৪

কাৰ্যসূচীঃ

1. সভাপতিৰ আসন গ্ৰহণ- ড° ধীৰেশ্বৰ কলিতা, সভাপতি, অসম বিজ্ঞান সমিতি।
2. সভাৰ উদ্দেশ্য ব্যাখ্যা-শ্ৰী হিৰণ্য কুমাৰ নাথ, যুটীয়া আহ্বায়ক, জনস্বাস্থ্য, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন উপসমিতি।
3. সভাৰ বিষয়বস্তু সম্পৰ্কত দুআষাৰ-শ্ৰী মৃণাল কুমাৰ হাজৰিকা, প্ৰধান সচিব, অসম বিজ্ঞান সমিতি।
4. সভাৰ মূখ্য বক্তাৰ বক্তব্য-শ্ৰী দেবজিত ফুকন, জনস্বাস্থ্য, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন উপসমিতিৰ উপদেষ্টা আৰু অসম চৰকাৰৰ পৰিৱেশ মিত্ৰ বঁটা প্ৰাপক।
5. প্ৰশ্নোত্তৰ শিতান
6. সভাপতিৰ বক্তব্য




ভাৰ্চুৱেল মাধ্যমত গোলকীয় উষ্ণতা বৃদ্ধি সম্পৰ্কীয় বক্তৃতানুষ্ঠান সমগ্ৰ দেশৰ লগতে অসমতো যোৱা ছেপ্টেম্বৰ মাহত উৎকট গৰমে প্ৰাত্যহিক জীৱনযাত্ৰা স্তব্ধ কৰি দিয়ে। পাৰাস্তম্ভই ঠাই বিশেষে ৪০ ডিগ্ৰী পাৰ কৰে। কেইবাজনো লোকৰ প্ৰাণ হানি ঘটে এই অসহনীয় গৰমত। বতৰৰ অভাবনীয় পৰিবৰ্তন তথা জলবায়ুৰ পৰিবৰ্তনৰ ফলত ঘটা মানৱ জাতিৰ ভৱিষ্যতৰ বাবেই ভয়ংকৰ ভাবুকি স্বৰূপ গোলকীয় উষ্ণতা বৃদ্ধিৰ এই জ্বলন্ত পৰিৱেশজনিত সমস্যাৰ পৰিপ্ৰেক্ষিতত অসম বিজ্ঞান সমিতিৰ কৰণীয় আৰু কৰ্মীসকলৰ সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ভাৰ্চুৱেল মাধ্যমত এখন সভা যোৱা ২৬ ছেপ্টেম্বৰত সন্ধিয়া অনুষ্ঠিত হৈ যায়। জনস্বাস্থ্য, পৰিৱেশ আৰু জলবায়ু পৰিবৰ্তন উপ সমিতিৰ উদ্যোগত আৰু কেন্দ্ৰীয় সমিতিৰ সভাপতি ড: ধীৰেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আৰম্ভণিতে আহ্বায়ক হিৰণ্য কুমাৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতে প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকাই আদৰণি ভাষণ আগবঢ়ায়। ইয়াৰ পিছতে আমন্ত্ৰিত বক্তা অসম চৰকাৰৰ পৰিৱেশ মিত্ৰ বঁটাপ্ৰাপ্ত দেৱজিৎ ফুকনে বিষয় বস্তুৰ সম্পৰ্কত তথ্য সমৃদ্ধ সাবলীল বক্তব্য উপস্থাপন কৰে। তেওঁ মানৱ সৃষ্ট বৰ্তমান পৰিৱেশ বিনষ্টৰ প্ৰধানকৈ তিনিটা কাৰণ উল্লেখ কৰি বহলাই ইয়াৰ ব্যাখ্যা আগবঢ়ায়। তেওঁ জীৱাশ্ম ইন্ধনৰ ব্যাপক দহন, জৈৱিক চাপ, জনসংখ্যাৰ বিস্ফোৰণ ইয়াৰ বাবে প্ৰধান দায়ী বুলি কয়। যুদ্ধ - বিগ্ৰহ, ধাতৱ যান- বাহন সামগ্ৰীৰ অত্যধিক বৃদ্ধি, মিথেন গেছৰ নিৰ্গমণ, অৰণ্যৰ হ্ৰাস আদিয়ে সেউজ গৃহ গেছৰ পৰিমাণত প্ৰভাৱ পেলোৱাৰ বাবেই পৃথিৱীৰ উষ্ণতা বৃদ্ধিত ইন্ধন যোগাইছে বুলি ব্যক্ত কৰে। পৰিৱেশ সমস্যা সমাধানত চৰকাৰৰ নীতি সমূহে প্ৰভাৱিত কৰে। বহুত ক্ষেত্ৰত আন্তৰ্জাতিক স্তৰত উন্নত দেশবোৰে উন্নয়নশীল দেশবোৰক ৰাজনৈতিক তথা অৰ্থনৈতিক ভাৱে চাপত ৰাখে।

আনহাতে পৰিৱেশবিদ, বিজ্ঞানীৰ পৰিবৰ্তে ৰাজনৈতিক নেতাইহে পৰিৱেশ সম্পৰ্কীয় ৰাষ্ট্ৰীয় তথা আৰ্ন্ত ৰাষ্ট্ৰীয় সন্মিলনবোৰতো প্ৰাধান্য পায় বুলি বক্তা গৰাকীয়ে আক্ষেপ কৰে। পৰিৱেশ মিত্ৰ ফুকনে পৰিৱেশ জনিত এই সমস্যাৰ পৰা মুক্তি পাবলৈ বক্তব্যৰ শেষৰ ফালে চৰকাৰলৈ কেইটামান পৰামৰ্শ আগবঢ়ায়। তেনে কেইটামান পৰামৰ্শ হৈছে পেট্ৰল ডিজেল চালিত বাহন নিষিদ্ধ কৰা তাৰ পৰিবৰ্তে ইলেকট্ৰনিক বাহনৰ ব্যৱস্থা কৰা, অহেতুক কাৰণত গাড়ী চলোৱা বাদ দিয়া। কম দূৰত্বত চাইকেল চলোৱা অভ্যাস কৰিব লাগে। শাখা সমূহৰ অৰ্ধ শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা সভাখনত কেইবাগৰাকীয়ে তেওঁলোকৰ বক্তব্যত কেইবাটাও সু পৰামৰ্শ দাঙি ধৰে। ইয়াৰ ভিতৰত জলাশয় সংৰক্ষণ, নৱনিৰ্মিত পথৰ দুয়ো দাঁতিত গছপুলি ৰোপণ, নগৰীয়া ক্ষুদ্ৰ অৰণ্য গঢ়ি তোলা, পৰিৱেশ বিনষ্ট হোৱাৰ ডকুমেন্টৰী প্ৰস্তুত কৰা আদি। গোলকীয় উষ্ণতা বৃদ্ধিত অৰিহণা যোগোৱা বিষয় সমূহ সামৰি লগতে ইয়াৰ সমাধানৰ বাবে চৰকাৰে লব লগীয়া ব্যৱস্থাৱলী অৱগত কৰি অসমৰ মুখ্যমন্ত্ৰীক এখন প্ৰতিবেদন প্ৰদান কৰাৰ বাবেও সভাই সৰ্বশেষত সিদ্ধান্ত গ্ৰহণ কৰে। শেষত সভাখন ফলপ্ৰসু আৰু প্ৰাসঙ্গিক হোৱা বুলি সভাপতি য়ে বক্তব্যত প্ৰকাশ কৰে।

ইয়াৰ বাদেও পঞ্চায়তত থকা + Bio diversity Board ৰেজিষ্ট্ৰেচন কৰা + Life style সলনি কৰা+ বাঁহ গছ ৰোপণ কৰাত গুৰুত্ব দিয়া+ আকাশত দেখা যোৱা বগা মেঘ সদৃশ ধোঁৱাৰ অধ্যয়ন+ দূৰদৰ্শনত পৰিৱেশ সজাগতাৰ বিজ্ঞাপন দিয়া + পৰ্যাপ্ত খালী ঠাই ৰাখি অট্টালিকা নিৰ্মাণ+ গুৱাহাটীত চাইকেল চালনাৰ বাবে সুকীয়া পথৰ ব্যৱস্থা+ পাহাৰ খনন ৰোধ + বহনক্ষম উন্নয়নত গুৰুত্ব




প্ৰদানএই সমূহ পৰামৰ্শ আলোচনাৰ বাবে পৰৱৰ্তী সময়ত অভিজ্ঞ লোকৰ উপস্থিতিত কাৰ্যালয়ত বহি আলোচনা কৰা হব বুলি সিদ্ধান্ত লোৱা হয়

# ডিব্ৰুগড়ত ভাৰত ৰত্ন ড° এ পি জে আব্দুল কালামৰ ওপজা দিন উদযাপন



আজি ১৫/১০/২৪ তাৰিখে ডিব্ৰুগড়ৰ নিৰ্মালি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত ড০ এই পি জে কালামৰ ওপজা দিনটো বিজ্ঞান সমিতিৰ সদস্য, বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰীৰ উপস্থিতৰে বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে আৰম্ভ কৰা হয়।সমল ব্যক্তি আছিল ম০ নাছিৰ চুলতান। বন্তি প্ৰজ্বলন কৰে ড০ পৰমানন্দ মহন্ত দেৱে, সভাপতিত্ব কৰে ড০ ভাৰতী দত্ত ই, উদ্দেশ্য ব্যাখ্যা কৰে সুদক্ষিণা দাসে। চমুকৈ প্ৰধান শিক্ষয়িত্ৰী মালৱিকা কোঁৱৰ, অজিত শৰ্মা, বিপুল আৰু ৫ গৰাকী ছাত্ৰীয়ে বক্তৃতা প্ৰদান কৰে







# অসম বিজ্ঞান সমিতি

# তথ্য প্ৰযুক্তি আৰু ওৱেব প'ৰ্টেল উপসমিতিৰ সভা

# ভাৰ্চুৱেল মাধ্যম

# তাৰিখঃ ১৮ অক্টোবৰ, ২০২৪

**কাৰ্য্যসূচীঃ**

১। সভাপতিৰ আসন গ্ৰহণ - ড০ ধীৰেশ্বৰ কলিতা, সভাপতি, অসম বিজ্ঞান সমিতি

২। সভাৰ উদ্দেশ্য ব্যাখ্যা - শ্ৰী অঞ্জন কুমাৰ দাস, যুটীয়া আহ্বায়ক, তথ্য প্ৰযুক্তি আৰু ওৱেব প'ৰ্টেল উপসমিতি

৩। সভাৰ আলোচনা সম্পৰ্কত দুআষাৰ -


**ক)** শ্ৰী মৃণাল কুমাৰ হাজৰিকা, প্ৰধান সচিব, অসম বিজ্ঞান সমিতি


**খ)** শ্ৰী ত্ৰিদীপ শৰ্মা


৪। উপস্থিত সদস্যসকলৰ আলোচনা।

৫। প্ৰস্তাৱ/সিদ্ধান্ত গ্ৰহণ।

৬। সভাপতিৰ বক্তব্য আৰু সভাৰ সামৰণি ঘোষণা।



# উত্তৰ গুৱাহাটী শাখা

## বৃক্ষ ৰোপন অনুষ্ঠান

আউনীআটী সত্ৰৰ দিব্য উপবনত কৰা এক বৃক্ষ ৰোপন অনুষ্ঠান (অসমৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া শ্ৰী যুত হেমন্ত চৌধুৰীদেৱৰ ওপজাদিনৰ সৈতে সংগতি ৰাখি ) সত্ৰ তথা উত্তৰ গুৱাহাটীৰ ভিন ভিন প্ৰতিষ্ঠানৰ বিষয়ববীয়াৰ লগতে অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ সভাপতি শ্ৰী থানেশ্বৰ শৰ্মাইও তেখেতৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্য কামনা কৰি এখনি স্মৃতি ফলক আৰু সম্পাদিকা শ্ৰীমতী বৃন্দালি দেৱীয়ে এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত শাখাৰ আজীৱন সদস্য শ্ৰী পাৰ্থ প্ৰতীম বৰকাকতি, আজীৱন সদস্যা শ্ৰীমতী আমিয়া দাস আদি উপস্থিত থাকে।







# বিষাক্ত পৰ্থেনিয়াম নিৰ্মূল

কৰাৰ বাবে আৰম্ভ কৰা অভিযানৰ অংশস্বৰূপে দ্বিতীয় লানি প্ৰচেষ্টা হিচাবে আজি উত্তৰ গুৱাহাটীস্থিত চৰকাৰী স্কুল যেনে আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়, উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুল আৰু ৰংমহল হাইস্কুলত শিক্ষক আৰু ছাত্ৰ - ছাত্ৰী সকলক জীৱন্ত উদ্ভিদ জোপা দেখুৱাই উদ্ভিদ জোপাৰ অপকাৰিতাৰ বিষয়ে সজাগ কৰা হয় আৰু কেনেদৰে সাৱধানতা অৱলম্বন কৰি নিৰ্মূল কৰাৰ চেষ্টা কৰিব পাৰি তাৰে পৰামৰ্শ দিয়া হয় আৰু উত্তৰ গুৱাহাটী পৌৰ সভা আৰু বিজ্ঞান সমিতিয়ে ছপা



কৰা যুটীয়া গোহাৰিৰ প্ৰতিলিপি বিতৰণ কৰা হয়। এই কাৰ্য্যৰ লগতে সংগতি ৰাখি তিনিওখন স্কুলৰ ছাত্ৰ ছাত্ৰী সকলক অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ " student member" হবলৈ আহ্বান/উদগনি জনোৱা হয় আৰু সদস্য ভৰ্তিৰ বাবে প্ৰ-পত্ৰ সমূহ বিতৰণ কৰা হয়

# শিক্ষাৰ্থী সদস্য / সদস্যা ভৰ্ত্তিকৰণ অভিযান



উত্তৰ গুৱাহাটী এলেকাৰ তিনিখন চৰকাৰী উচ্চ / উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মুঠ ১৭ গৰাকী শিক্ষাৰ্থীৰ পৰা অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ শিক্ষাৰ্থী সদস্য /সদস্যা হোৱাৰ বাবে আবেদন কৰা প্ৰপত্ৰ সমূহ সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়

১) অভিনৱ ডেকা, দশম শ্ৰেণী, আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়২) বিতুপন হাজৰিকা, নৱম শ্ৰেণী, আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়৩) মানৱজ্যোতি ডেকা, নৱম শ্ৰেণী, আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়৪) নিপজ্যোতি দাস, দশম শ্ৰেণী, আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়৫) অৰ্জুন ভৰালী, দশম শ্ৰেণী, আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়----৬) স্বাহানাজ পাৰবীন, দশম শ্ৰেণী, উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুল,৭) পল্লবী মহাতো, দশম শ্ৰেণী, উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুল,৮) মনালি ভূঞা, দশম শ্ৰেণী, উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুল,৯) ধৃতী কাশ্যপ, দশম শ্ৰেণী, উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুল,----১০) নয়না চমুৱা, অষ্টম শ্ৰেণী, ৰংমহল হাইস্কুল, ১১) বিমান বৰা, নৱম শ্ৰেণী, ৰংমহল হাইস্কুল,১২) জিজ্ঞাসা দাস, অষ্টম শ্ৰেণী, ৰংমহল হাইস্কুল,১৩) নিকি বৰা, অষ্টম শ্ৰেণী, উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুল,১৪) হালিম জাকাৰিয়া, নৱম শ্ৰেণী, ৰংমহল হাইস্কুল,১৫) চাইফা চুলতানা, নৱম শ্ৰেণী, ৰংমহল হাইস্কুল,১৬) বৰ্ণালী দাস, নৱম শ্ৰেণী, ৰংমহল হাইস্কুল,১৭) জ্যোতিমা বৰো, নৱম শ্ৰেণী, ৰংমহল হাইস্কুল-

# অসম বিজ্ঞান সমিতিৰ শ্ৰদ্ধাৰ সভাপতি আৰু সম্পাদক মহোদয় ঢকুৱাখনাত











আজি ইংৰাজী ৩০/১০/২০২৪ তাৰিখ বুধবাৰে আবেলি ২ বজাত মেগামিক্স প্ৰকৃতি সংঘৰ সভাগৃহত অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ এখনি বিশেষ সভা অনুষ্ঠিত হয় । অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ সম্পাদক বিমান সন্দিকৈয়ে আঁতধৰা সভাখনত সভাপতিৰ আসন গ্ৰহণ কৰে অসম চৰকাৰৰ পৰিৱেশ মিত্ৰ বঁটাপ্ৰাপক দেৱজিৎ ফুকনে । আজিৰ সভাত ৫৫ সংখ্যক অসম বিজ্ঞান সমিতিৰ ঢকুৱাখনা অধিৱেশন ৰ সন্দৰ্ভত আলোচনাৰ বাবে অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক সভাপতি ডঃ ধীৰেশ্বৰ কলিতা , প্ৰধান সচিব মৃণাল হাজৰিকা , যুটীয়া সচিব অৰূপ কুমাৰ দত্ত , সহকাৰী সচিব নীলমণি শৰ্মা , কাৰ্যনিৰ্বাহক সদস্য প্ৰদীপ নেওগ আদি কৰি অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ আজীৱন সদস্য , কাৰ্যকতা আৰু উদযাপন সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে । উপস্থিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক বিষয়ববীয়াসকল একোখনকৈ থলুৱা শিপিনীৰ গামোচা আৰু একোখনকৈ গ্ৰন্থ উপহাৰ হিচাপে প্ৰদান কৰা হয় । অসম বিজ্ঞান সমিতিৰ সম্পাদক মৃণাল হাজাৰিকাদেৱে অধিৱেশনখনিৰ লগত সংগতি ৰাখি নৱপ্ৰজন্মৰ মাজত কিতাপ পঢ়াৰ ধাউতি বঢ়োৱাৰ লগতে বিজ্ঞান জেউতি পঢ়োঁ আহক নামেৰে কাৰ্যসূচী ৰূপায়ণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াই লগতে কেন্দ্ৰীয় সমিতিয়ে পূৰ্ণ সহযোগ কৰাৰ পোষকতা কৰে । অসম বিজ্ঞান সমিতিৰ সভাপতি ডঃ ধীৰেশ্বৰ কলিতাদেৱে অধিৱেশনখনি সৰ্বাংসুন্দৰ হোৱাৰ লগতে কাৰ্যসূচী নিৰ্ধাৰিত সময়ত অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ আগবঢ়াই । উপস্থিত যুটীয়া সচিব অৰূপ কুমাৰ দত্ত , সহকাৰী সচিব নীলমণি শৰ্মা উপসভাপতি ডঃ অমল চন্দ্ৰ দত্ত , সদস্য প্ৰদীপ নেওগদেৱে বক্তব্য আগবঢ়াই । শাখাৰ ফালৰ পৰা লিখন চন্দ্ৰ বুঢ়াগোহাঁই দেৱে বক্তব্য আগবঢ়াই ।শেষত সভাপতিৰ সাৰুৱা মন্তব্যৰে সভাভঙ্গৰ ঘোষণা হয় ।














A lecture Programme on "Climate Change: An Aviation Perspective" was organized in hybrid mode by the Department of Chemistry, in association with Assam Science Society to celebrate World Sustainability Day. Mr. Rekib Ahmed, Senior Manager, Sustainability, Dubai Airport, delivered the lecture using online platform.



# Letter to Editor.....
# সম্পাদকলৈ চিঠি

## আপোনালোকৰ প্ৰশ্ন অথবা পৰামৰ্শ আমালৈ চমুকৈ লিখি পঠিয়াওক।

Write any comment and good suggestion to :

Email : bigyanbarta@gmail.com

WhatsApp: 60013-99315

# জাতীয় বিজ্ঞান পুঁজি

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

অসম বিজ্ঞান সমিতিৰ 54 সংখ্যক দুলীয়াজানৰ অধিবেশনত সমিতি আৰ্থিক ভাৱে স্বাৱলম্বী হোৱাৰ বাবে "জাতীয় বিজ্ঞান পুঁজি" নামেৰে এটি পুঁজি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। তাৰেই ভিত্তিত কাৰ্যনিৰ্বাহক সমিতিয়ে সমিতিৰ কাৰ্যকৰী সভাপতিক(কুটুবুদ্দিন আহমেদ) সভাপতি আৰু প্ৰদীপ নেওঁগ আৰু অবনী দাসক আহ্বায়ক ৰূপে নিৰ্বাচিত কৰি এখন সমিতি গঠন কৰে।সমিতি খনৰ তৎপৰতাত ওপৰত উল্লেখ কৰা ধৰণে এটি একাউণ্ট খোলা হৈছে।
গতিকে ইচ্ছুক সদস্য ক বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনালোঁ।উল্লেখযোগ্য যে এই পূজিত আগবঢ়োঁৱা ধন আয়কৰ মুক্ত হব।
ইতিমধেই সন্মানীয় সদস্য সকলে দান আগবঢ়াইছে।

আশাকৰো সমিতিৰ সন্মানীয় সদস্য সকলে সহযোগিতা আগবঢ়াব।



ধন্যবাদেৰে
মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব
অ বি স

# Jatiya Bigyan Punji

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

In the 54th Duliajan session of the Assam Science Society, a proposal was adopted to set up a fund called **"Jatiya Bigyan Punji "** to make the Society financially self-reliant. On the basis of this, the Executive Committee formed a committee by electing the executive president of the committee (Kutubuddin Ahmed) as the president and Pradeep Neog and Abani Das as the convener. An account has been opened as mentioned above in the promptness of the committee.

So I request the interested members to contribute. It is worth mentioning that the money offered in this Fund will be free from income tax.

It has already been donated by the esteemed members.

I hope the honourable members of the committee will cooperate.

With thanks
Mrinal Kumar Hazarika
General Secretary
Assam Science Society